**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————

ৰাজ্যত অবৈধভাৱে চলি থকা গো-হত্যাৰ বিৰুদ্ধে চৰকাৰে শেহতীয়াকৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি কালি আৰক্ষী প্ৰশাসনে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধ গো-মাংস ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। আৰক্ষীয়ে কালি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুজ্ঞাপত্ৰ বিহীনভাৱে গো-মাংস বিক্ৰী কৰা থকা ১৮৯ খন কচাইখানা আৰু হোটেলত অভিযান চলায়। এই অভিযানকালত আৰক্ষীয়ে এহেজাৰ ৫১২ কিলোগ্ৰামতকৈ অধিক গো-মাংস জব্দ কৰাৰ লগতে ১৭৬ জন মাংস ব্যৱসায়ীক আটক কৰিছে।

কামৰূপ মহানগৰ আৰক্ষীয়ে কালি জিলাখনৰ ছয়মাইল, সাতগাঁও, হাতীগাঁৱৰ কেইবাটাও স্থানত অভিযান চলাই নিষিদ্ধ গো-মাংস জব্দ কৰাৰ লগতে কেইবাজনো লোকক আটক কৰিছে। জালুকবাৰী আৰক্ষীয়েও ভৰলুমুখ আৰু আদাবাৰীত অভিযান চলাই যথেষ্ট পৰিমাণৰ গো-মাংস জব্দ কৰি ইয়াৰ সৈতে জড়িত চাৰিজন লোকক আটক কৰে। একেদৰে কামৰূপ আৰক্ষীয়ে বকো, ছয়গাওঁ, ৰঙিয়াৰ ১৭ খন হোটেলত অভিযান চলাই বুজন পৰিমাণৰ গো-মাংস জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ১৭ জন লোকক আটক কৰে।

বৰপেটা আৰক্ষীয়েও জিলাখনৰ ৪ খন হোটেলত অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ গো-মাংস জব্দ কৰে। আইন উলংঘা কৰি গো-মাংস বিক্ৰী চলাই থকা এই চাৰিওখন হোটেলৰ পৰা আইন ভংগৰ অভিযোগত বৰপেটা আৰক্ষীয়ে চাৰিজন লোকক আটক কৰে। হোটেল কেইখনৰ বিৰুদ্ধে অসম পশুধন সংৰক্ষণ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

শিৱসাগৰত কালি দুখন হোটেলত শিৱসাগৰ আৰক্ষী, জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগে অভিযান চলাই বুজন পৰিমাণৰ গো-মাংস জব্দ কৰে। হোটেল দুখনৰ স্বত্বাধিকাৰী দুজনক আৰক্ষীয়ে সোধা-পোচাৰ বাবে আটক কৰিছে।

তদুপৰি কোকৰাঝাৰ, লখিমপুৰ আৰু ডিব্ৰুগড়ত জিলাতো কালি আৰক্ষী প্ৰশাসনে গো-মাংস বিৰোধী অভিযান চলায়।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি দিল্লীত উপস্থিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে হোৱা এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে অসমৰ কেইবাটাও পথ প্ৰকল্পৰ অগ্ৰগতিৰ সম্পৰ্কে আলোচনা কৰাৰ সম্ভাৱনা আছে। একেদৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বিত্তীয় আয়োগৰ অধ্যক্ষকো সাক্ষাৎ কৰি ৰাজ্যৰ উন্নয়নৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰাৰ সম্ভাৱনা আছে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ সৈতেও গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

ধান ক্ৰয়ৰ ক্ষেত্ৰত অসমে সৰ্বকালৰ অভিলেখ গঢ়িছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰা মতে এইপৰ্যন্ত খাৰিফ বিপণন কালত ২০২৪-২৫ বৰ্ষত ৬ লাখ ৯৭ হাজাৰ মেট্ৰিক টন ধান ক্ৰয় কৰা হৈছে। এয়া ৰাজ্যৰ কৃষিখণ্ডৰ সৰ্বকালৰ অভিলেখ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২৩-২৪ বৰ্ষত ৩ লাখ ১৪ হাজাৰ মেট্ৰিক টন আৰু ২০২২-২৩ বৰ্ষত ৫ লাখ ৯২ হাজাৰ মেট্ৰিক টন ধান ক্ৰয় কৰা হৈছিল। কৃষকৰ বাবে ন্যূনতম সমৰ্থন মূল্য নিশ্চিত কৰা আৰু চৰকাৰে বজাৰ সংযোগ নিশ্চিত কৰাৰ বাবে এই সফলতা লাভ কৰাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। চৰকাৰে বৰ্তমান খাৰিফ বিপণন কালত ৫ লাখ ৮৫ হাটাৰ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল।

০০০০০০

কংগ্ৰেছ কৰ্মীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাহনলৈ বটল দলিয়াই কৰা অপমানজনক কাৰ্যৰ প্ৰতিবাদত কালি বিজেপিৰ কৰ্মীসকলে শিৱসাগৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শিৱসাগৰ জিলা বিজেপিৰ উদ্যোগত নগৰখনৰ দৌলমুখ চাৰিআলিত অনুষ্ঠিত এই প্ৰতিবাদী সভাত দলটোৰ জিলা সভাপতিৰ লগতে ভালেসংখ্যক বিজেপিৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জিলা সভাপতিয়ে এই ঘটনাৰ তীব্ৰ নিন্দা কৰাৰ লগতে গণতান্ত্ৰিক ব্যৱস্থাৰ পৰিসৰত এনে হিংসাত্মক আৰু অপমানজনক আচৰণ সম্পূৰ্ণ অগ্ৰহণযোগ্য বুলি কয়। বিজেপিয়ে এই প্ৰতিবাদৰ জৰিয়তে কংগ্ৰেছৰ ভূমিকাৰ তীব্ৰ সমালোচনা কৰি ৰাজনৈতিক শিষ্টাচাৰ আৰু গণতান্ত্ৰিক পৰম্পৰাক সন্মান জনাবলৈ কংগ্ৰেছ দলক আহ্বান জনায়।

০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত কালি চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলৰ বাবে মজুৰী ক্ষতিপূৰণ আঁচনি সন্দৰ্ভত স্বাস্থ্য বিভাগৰ এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই সভাত অতিৰিক্ত জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱা, ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ তৃষ্ণা বৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ জিলা প্ৰকল্প প্ৰবন্ধক সত্যজিৎ মৰাণ, ডিব্ৰুগড় জিলাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা বিষয়াসকল তথা স্বাস্থ্য বিভাগৰ অন্যান্য বিভাগৰ বিষয়া আৰু স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।

০০০০০০

যোৰহাট জিলা দিৱসৰ লগত সংগতি ৰাখি কালি জিলা প্ৰশাসনৰ উদ্যোগত আৰু শিক্ষা বিভাগৰ সহযোগত জিলাখনৰ বিভিন্ন চৰকাৰী, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘কৃত্ৰিম বুদ্ধিমত্তাঃ ভৱিষ্যত প্ৰজন্মৰ বাবে আশীৰ্বাদ নে ভাবুকি ’ বিষয় সন্দৰ্ভত এখন যুৱ সংসদৰ আয়োজন কৰা হয়। অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা যোৰহাট সমষ্টিৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীয়ে এই যুৱ সংসদ উদ্বোধন কৰে। অনুষ্ঠানত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, শিক্ষা বিভাগৰ অতিৰিক্তি জিলা আয়ুক্ত মগেন নৰহ, বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

ইপিনে, যোৰহাট দিৱস উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে কাৰ্যালয় চৌহদত ‘দানবীৰ ৰজা হৰিশ্চন্দ্ৰ’ শীৰ্ষক এখন ভাওনা পৰিৱেশন কৰে।

০০০০০০

সমাপ্ত